# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাজ্যত বান পৰিস্থিতি এতিয়াও শোচনীয়। যোৱা ২৪ ঘণ্টাত ছজন লোকৰ বানত মৃত্যু। বানৰ কবলত পৰি প্ৰাণ গৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৯২ টা বন্য জন্তুৰ।

২। বান পৰিস্থিতি পৰ্যবেক্ষণৰ বাবে জিলাই জিলাই অসম মন্ত্ৰীসভাৰ প্ৰতিনিধিৰ দল। উদ্ধাৰ আৰু সাহায্য অভিযান ত্বৰান্বিত।

৩। অসম আদৰ্শ গ্ৰাম যোজনাৰ অধীনত নিৰ্বাচিত গাঁও সমূহত এই পৰ্যন্ত এহেজাৰ ৮৫৪ টা আঁচনি সম্পূৰ্ণ হোৱা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। নিটি আয়োগে গ্ৰহণ কৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে ৰাজ্যৰ কেইবাখনো জিলাত সজাগতা কাৰ্যসূচী।

*আৰু*

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ আজি দ্বিতীয়খন খেল।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈয়ে আছে। ঠায়ে ঠায়ে বানৰ প্ৰকোপ কিছু হ্ৰাস পালেও বানপীড়িতৰ দুৰ্দশা আঁতৰা নাই। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বিভিন্ন স্থানত অহা চাৰিটা দিনত ধাৰাসাৰ বৰষুণ হোৱাৰ আশংকা প্ৰকাশ কৰি অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বৰঝাৰত থকা আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰইও আজি নামনি অসমৰ বিভিন্ন স্থানত বৰষুণ আহিব বুলি আগলি বতৰা দিছে। ফলস্বৰূপে ৰাজ্যত বান পৰিস্থিতিৰ অধিক অৱনতি ঘটিব পাৰে বুলিও আশংকা কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি বৰ্তমানে ২৯ খন জিলাৰ ৩ হাজাৰ ৫৩৫ খন গাঁও জলমগ্ন হৈ আছে। ৰাজ্যৰ ২৩ লাখ ৯৬ হাজাৰতকৈও অধিক লোক এই বানত ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে ৬৮ হাজাৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। মুঠ ২৯৩ টা বান শিবিৰত ৫৩ হাজাৰৰো অধিক বানপীড়িতই আশ্ৰয় লৈ আছে। আনহাতে, কালিৰ দিনটোত আৰু ছজন লোকৰ মৃত্যু হোৱাৰ ফলত চলিত বৰ্ষৰ বানত এতিয়ালৈ মৃত্যু হোৱা লোকৰ সংখ্যা ৫৮ লৈ বৃদ্ধি পাইছে।

গুৱাহাটী মহানগৰীত বৰষুণৰ পানীয়ে সৃষ্টি কৰা কৃত্ৰিম বানত স্বাভাৱিক জীৱনযাত্ৰা বিঘ্নিত হৈছে। মহানগৰখনৰ বিভিন্ন পথ আৰু উপ-পথত পানী জমা হৈ থকাত যাতায়াতত অসুবিধাৰ সৃষ্টি হৈছে।

ইপিনে, ব্ৰহ্মপুত্ৰ নদীৰ পানী হ্ৰাস পোৱাৰ ফলত গোৱালপাৰা জিলাৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। সাম্প্ৰতিক বানত জিলাখনৰ ২৯৭ খন ৰাজহ গাঁও প্লাৱিত হৈ ৮০ হাজাৰ ৩৭৭ গৰাকী লোক ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰে লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত জলেশ্বৰ বিধানসভা সমষ্টিত সৰ্বাধিক ১৮৫ খন গাঁও প্লাৱিত হৈছে। মাটিয়া ৰাজহ চক্ৰত তিনিটা আৰু বালিজানা ৰাজহ চক্ৰত ১০ টা আশ্ৰয় শিবিৰ স্থাপন কৰি মুঠ ৫ হাজাৰ ৩২৪ গৰাকী বানপীড়িতক আশ্ৰয় প্ৰদানৰ লগতে খাদ্য সামগ্ৰী যোগান ধৰি থকা হৈছে। প্ৰশাসনে ১২ টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰি সাহায্য বিতৰণ কৰি আছে বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনাইছে।

লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰৰ অন্তৰ্গত কদম টেঙাবস্তি, বাগানগাঁও আৰু গজিশলা আদিতো বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। কাকৈ নৈ, গোমনদী আৰু চেনিমাই নৈৰ বাঢ়নী পানীয়ে কেইবাখনো গাঁৱত জলপ্ৰলয় সৃষ্টি কৰাৰ সমান্তৰালভাৱে কদম-চিয়াজুলি সংযোগী পথৰ ওপৰেৰে পানী বাগৰি পৰিছে। ফলস্বৰূপে সমীপৱৰ্তী অঞ্চলৰ বহু পৰিয়ালৰ বাসগৃহত পানী সোমোৱাৰ ফলত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সাম্প্ৰতিক বানত ৯০টাতকৈও অধিক বন্যপ্ৰাণীৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। চৰকাৰী তথ্য অনুসৰি ইয়াৰে চিকিৎসাৰ সময়ত ১১টা সুগৰি পহুৰ মৃত্যু হোৱাৰ লগতে পানীত ডুব গৈ ৬২টাতকৈও অধিক বন্যপ্ৰাণীৰ মৃত্যু হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে যাৱতীয় সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে। কৰ্তৃপক্ষই এতিয়ালৈকে প্ৰায় ৯৫টা জীৱজন্তু উদ্ধাৰ কৰিছে। জীৱজন্তুৰ সুৰক্ষা প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় উদ্যানখনৰ অগৰাতলিত ৩৪টা, কাজিৰঙাত ৫৮টা, বাগৰিত ৩৯টা, বুঢ়াপাহাৰত ২৫টা আৰু বোকাখাটত ৯টা বন শিবিৰ স্থাপন কৰা হৈছে। ইফালে ব্ৰহ্মপুত্ৰ, কলং, কপিলী আৰু কিলিং নৈৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যৰ ভালেমান অঞ্চল বানত ডুব গৈছে। বানত দিশহাৰা হৈ জনাঞ্চলত প্ৰৱেশ কৰা যিকোনো বন্যপ্ৰাণী প্ৰত্যক্ষ হ'লে লগে লগে বন বিভাগ বা আৰক্ষীক অৱগত কৰিবলৈ জনসাধাৰণৰ প্ৰতি মৰিগাঁও জিলা প্ৰশাসনে আহ্বান জনায়।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতি নিৰীক্ষণ আৰু নিয়ন্ত্ৰণৰ লগতে সাহায্য প্ৰদানৰ কাম তৎপৰতাৰে আগবঢ়াই নিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে অসম মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰীয়ে কালি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মাজুলী সমষ্টিৰ অন্তৰ্গত কেৰকেৰ আৰু কাচিকটা অঞ্চলৰ বান পৰিস্থিতি তথা খহনীয়া পৰিদৰ্শন কৰে। বানৰ বাবে হোৱা অঞ্চলটোৰ ক্ষয়-ক্ষতি আৰু আন অভাৱ-অভিযোগৰ বুজ লৈ তেওঁ ৰাইজক সম্ভাব্য সকলোখিনি সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। ইফালে, যোৰহাট আৰু শিৱসাগৰ জিলাৰ বান পৰিস্থিতিৰ পৰ্যবেক্ষণৰ দায়িত্বত থকা মন্ত্ৰী বিমল বৰাই কালি যোৰহাট জিলাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে পূব টীয়ক পঞ্চায়তৰ অন্তৰ্গত বৰালীমৰা চুছাবাটত উপস্থিত হৈ বানপীড়িত ৰাইজৰ সৈতে মত বিনিময় কৰে। লগতে সেই স্থানতে জিলা প্ৰশাসনে স্থাপন কৰা স্বাস্থ্য শিবিৰসমূহো পৰিদৰ্শন কৰে। তাৰপাছতে তেওঁ যোৰহাট জিলাৰ ঔগুড়ি নেপালী আৰু অৰুণামুখ মিচিং গাঁৱত উপস্থিত হৈ স্বাস্থ্য শিবিৰসমূহ পৰিদৰ্শন কৰি জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰদান কৰা সকলো সুবিধা জনসাধাৰণে লাভ কৰিছেনে নাই, সেই বিষয়েও পৰ্যবেক্ষণ কৰে।

বান পৰিস্থিতিৰ শেহতীয়া পৰিৱেশৰ বুজ লোৱাৰ উদ্দেশ্যে কালি মন্ত্ৰী অতুল বৰা পুনৰ নগাঁৱত উপস্থিত হয়। জিলাখনৰ আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰি মন্ত্ৰী বৰাই চৰকাৰে আগবঢ়োৱা সাহায্য, চিকিৎসা তথা আনুসংগিক সা-সুবিধাৰ সবিশেষ বুজ লয়। তদুপৰি তেওঁ জিলা প্ৰশাসনৰ বিষয়াসকলক বান পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে যাৱতীয় নিৰ্দেশনা দিয়ে। ইফালে, অসম গণ পৰিষদৰ কাৰ্যকৰী সভাপতি তথা অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰৰ মিছা, ৰৌমাৰী, বৰালীগাঁও, দলগাঁও, দাড়িগজি, বৰবালিটোপ, হাতীমূৰা আদি অঞ্চলসমূহত উপস্থিত হৈ ৰাইজৰ অসুবিধাৰ বুজ লয়। নিশাৰ ভাগত মন্ত্ৰীগৰাকীয়ে সতীৰ্থ মন্ত্ৰী অতুল বৰাৰ সৈতে গৈ কলংমুখত জলসম্পদ বিভাগে পাৰ্কুপাইন, জিঅ'বেগ আদিৰ জৰিয়তে ভগ্ন অংশ বন্ধ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হাতীমূৰা মথাউৰিৰ বিচ্ছিন্ন অংশটো পৰ্যবেক্ষণ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি মাৰ্ঘেৰিটাত উপস্থিত হৈ মাকুমকিল্লা অঞ্চলৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে দুটাকৈ বান শিবিৰো পৰিদৰ্শন কৰে।

ইপিনে, শাসকীয় পক্ষৰ প্ৰতিনিধিৰ সমান্তৰালভাৱে বিৰোধী দলৰ কেইবাগৰাকী সাংসদ তথা বিধায়কে ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ ল'বলৈ বানপীড়িত অঞ্চলত উপস্থিত হয়। কলগাছিয়াত কালি বেঁকী নৈৰ খহনীয়া

পৰিদৰ্শন কৰি সাংসদ ৰকিবুল হুছেইনে খহনীয়াগ্ৰস্ত ৰাইজৰ কাষত উপস্থিত হৈ দুখ প্ৰকাশ কৰে। ইয়াৰ পাছতে তেওঁ যোগীঘোপা, কাবাইতাৰি আৰু চলন্তাপাৰাৰ বান সাহায্য শিবিৰ পৰিদৰ্শন কৰে। ইপিনে, নুমলীগড়ৰ বানবিধ্বস্ত বংকোৱালত উপস্থিত হৈ ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে বানপীড়িতৰ দুখ-দুৰ্দশাৰ বুজ লয়।

০০০০০০০০

ৰাজ্যজুৰি সৰ্বোত্তম ৰাজহুৱা সেৱা প্ৰদান কৰা আদৰ্শ গাঁও নিৰ্মাণৰ লক্ষ্যৰে ২০১৮-১৯ বৰ্ষতে আৰম্ভ কৰা অসম আদৰ্শ গ্ৰাম যোজনাৰ অধীনত এই পৰ্যন্ত এহেজাৰ ৮৫৪ টা আঁচনি সম্পূৰ্ণ কৰা হৈছে আৰু ইয়াৰ বাবে মুঠ ২৫০ কোটি টকা মুকলি কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি জনতা ভৱনত অসম আদৰ্শ গ্ৰাম যোজনা কাৰ্যসূচীৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰিবলৈ আয়োজন কৰা এখন পৰ্যালোচনা বৈঠকত এই তথ্য সদৰি কৰে। বৈঠকত এই যোজনাৰ অধীনত নিৰ্বাচিত গাঁও সমূহত ৰূপায়ণৰ বাবে বৰ্তমানলৈ লোৱা আঁচনিৰ সংখ্যা, মুকলি কৰা ধনৰ বিপৰীতে কামৰ অগ্ৰগতি, সম্পূৰ্ণ হোৱা আঁচনি আদিকে ধৰি যোজনাখনৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে যোজনাখন অধিক ফলপ্ৰসূ ৰূপত ৰূপায়ণ কৰাৰ অৰ্থে সংশ্লিষ্ট কৰ্তৃপক্ষক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে।

০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে কালি ওদালগুৰি জিলাতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। ওদালগুৰি চহৰৰ বিষ্ণুৰাভা কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আৰম্ভণি অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইপিনে, জোনাইৰ মুৰ্কংচেলেক উন্নয়ন খণ্ডৰ অধীনৰ মুৰ্কংচেলেক কৃষ্টিভৱন প্ৰেক্ষাগৃহতো কালি সম্পূৰ্ণতা অভিযান কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত অংকুৰ ভঁৰালী, নিটি আয়োগৰ জ্যেষ্ঠ পৰামৰ্শদাতা ড° ববিতা সিং, ধেমাজি আৰু চিলাপথাৰ পৌৰসভাৰ সভানেত্ৰী তথা জিলা প্ৰশাসন আৰু ব্লক পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি জনতা ভৱনত বি টি আৰৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে বি টি আৰ প্ৰশাসন, সদৌ বড়ো ছাত্ৰ সন্থাৰ প্ৰতিনিধি আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ২০২০ বৰ্ষত অসম চৰকাৰৰ সৈতে হোৱা নিষ্পত্তিৰ চুক্তি অনুসৰি বি টি আৰত ৰূপায়ণ হৈ থকা বিভিন্ন প্ৰকল্প সম্পৰ্কে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে বি টি আৰত নতুন গাঁৱৰ অন্তৰ্ভুক্তি, প্ৰাক্তন উগ্ৰপন্থীসকলৰ পুনৰ সংস্থাপন, ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাত বসবাস কৰা বড়োসকলক অনুসূচিত জনজাতি হিচাপে সংৰক্ষণ, বড়ো মাধ্যমৰ বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণ তথা সুকীয়া সঞ্চালকালয়কে ধৰি বিভিন্ন কামৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। তেওঁ লগতে বি টি আৰৰ বিশেষ উন্নয়নমূলক প্ৰকল্পৰ

অধীনৰ সকলো কাম সম্পূৰ্ণ কৰাৰ বাবে খৰতকীয়া পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, মুখ্যমন্ত্ৰীয়ে বৈঠকত বি টি আৰলৈ অথবা বি টি আৰৰ পৰা অন্য প্ৰান্তলৈ বিভিন্ন বিষয়া-কৰ্মচাৰীৰ বদলি, অনুমোদন থকা খালী পদ পূৰণ, নতুন পদৰ সৃষ্টি আদি বিষয় সম্পৰ্কেও আলোচনা কৰে। তেওঁ লগতে শেহতীয়াকৈ কোকৰাঝাৰত কৰা ঘোষণা অনুসৰি গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ গুৰুধাম নিৰ্মাণ, বৌমাৰীস্থিত জ্যোতি আশ্ৰম, ব্ৰহ্মধৰ্মৰ যজ্ঞশালা নিৰ্মাণ আদিৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়াবলগীয়া প্ৰয়োজনীয় পুঁজিৰ অনুমোদন জনায়।

oooooooo

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেল আজি জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। আয়োজক দেশ জিম্বাব'ৱেই প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে। কালিৰ উদ্বোধনী খেলখনত ছিকন্দৰ ৰাজা নেতৃত্বাধীন জিম্বাব'ৱেই ভাৰতক ১৩ ৰানত পৰাজিত কৰে। খেলখনত জিম্বাব'ৱেই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ১১৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০২ ৰানহে কৰিবলৈ সক্ষম হয়।

oooooooo

চলিত ইউৰোকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল ইংলেণ্ড আৰু নেডাৰলেণ্ডছৰ মাজত অনুষ্ঠিত হ'ব। যোৱানিশা অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ডে ট্ৰাইব্ৰেকাৰৰ জৰিয়তে ৫-৩ গ'লৰ ব্যৱধানত ছুইজাৰলেণ্ডক পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত সমাপ্ত হোৱাৰ পাছত অতিৰিক্ত সময়তো ফলাফল নিৰ্ণয় হোৱা নাছিল। ইফালে, নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত নেডাৰলেণ্ডছে ২-১ গ'লত তুৰস্কক পৰাস্ত কৰে। ইউৰো কাপৰ আনখন ছেমি ফাইনেল স্পেইন আৰু ফ্ৰান্সৰ মাজত অনুষ্ঠিত হ'ব।

oooooooo

ন'ভাক জক'ভিচে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। যোৱানিশা অনুষ্ঠিত পুৰুষৰ একক শাখাৰ তৃতীয় ৰাউণ্ডৰ খেলত ছাৰ্বিয়াৰ তাৰকা খেলুৱৈগৰাকীয়ে ৪-৬, ৬-৩, ৬-৪ আৰু ৭-৬ৰ ব্যৱধানত এলেক্স প'পিৰিণক পৰাস্ত কৰে। ইফালে, অন্য এখন খেলত আলেকজেণ্ডাৰ জেৰভে ৬-৪, ৬-৪ আৰু ৭-৬ৰ ব্যৱধানত কেমেৰুণ ন'ৰিক পৰাস্ত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰে। মহিলাৰ একক শাখাৰ তৃতীয় ৰাউণ্ডৰ এখন খেলত ইউলিয়া পুটিন ছেভাইক ৩-৬, ৬-১, ৬-২ৰ ব্যৱধানত শীৰ্ষ বাছনিৰ ইগাক পৰাস্ত কৰি চমক সৃষ্টি কৰে। ইফালে, উইম্বলডনত ভাৰতৰ অন্তিম আশা ৰোহণ বোপান্না আৰু মেথিউ ইবডেন যুটিয়ে পুৰুষৰ ডাবল্‌ছ শাখাৰ দ্বিতীয় ৰাউণ্ডত পৰাস্ত হৈ বিদায় লৈছে।

oooooooo

গুৱাহাটীৰ জ্যোতিনগৰত যোৱা বৃহস্পতিবাৰে নিশা এটা নলাত পৰি পানীৰ ধাৰত উটি যোৱা অবিনাশ সৰকাৰ নামৰ ৮ বছৰীয়া শিশুটিৰ উদ্ধাৰকাৰী দলে সন্ধান উলিয়াব নোৱাৰাৰ বাতৰিক দৈনিক অসম কাকতে দ্বিতীয় দিনাও সন্ধান নোলাল অবিনাশৰ, অভিযান অব্যাহত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ১০ জুলাইত ৭ খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে পুনৰ সমুখ সমৰত এন ডি এ-ইণ্ডিয়া শিৰোনামেৰে মুখ্য বাতৰি পৰিৱেশন কৰিছে।

ব্ৰহ্মপুত্ৰ আৰু ডিব্ৰু নৈৰ বাঢ়নী পানীয়ে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত লাগি থকা ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ বনগাঁৱত ব্যাপক ধ্বংসলীলা চলোৱাৰ বাতৰিক দৈনিক জনমভূমি কাকতে ডিব্ৰু নৈৰ কোবাল সোঁতে ঢাঁহি-মুহি নিলে দধীয়াৰ ৪৮টা বাসগৃহ শিৰোনামেৰে দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিক্ষক-কৰ্মচাৰী ডিজিটেল উপস্থিতিৰ লক্ষ্যৰে শিক্ষা বিভাগে প্ৰৱৰ্তন কৰা শিক্ষা সেতু এপত ডিজিটেল উপস্থিতি নিদিয়া শিক্ষকৰ দৰমহা বন্ধৰ নিৰ্দেশ দিয়াৰ বাতৰিক শিক্ষা সেতুত নথকা শিক্ষকৰ দৰমহা নহ'ব

শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোত নিয়মীয়া বাৰ্তা কাকতখনেও অদৃশ্য মানৱ, ৪ হাজাৰ ৯০৭ গৰাকী শিক্ষকৰ দৰমহা বন্ধৰ নিৰ্দেশ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে তৃণমূল পৰ্যায়লৈকে কল্যাণকামী আঁচনিসমূহ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ লগতে এনে আঁচনিৰ পৰা যাতে পোনপটীয়াকৈ ৰাজ্যবাসী লাভান্বিত হয় তাৰ বাবে জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ বিভিন্ন কামকাজ পৰ্যবেক্ষণৰ বাবে একোখনকৈ সমিতি গঠন কৰি দিয়াৰ বাতৰিক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত নীট-ইউজিক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজতে অনিৰ্দিষ্ট কাললৈ কাউন্সিলিং স্থগিত কৰাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ বান পৰিস্থিতিৰ বাতৰিক দি আছাম টিব্ৰিউন আৰু দা ছেণ্টিনেল কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিৰ ভিতৰত আছে – ২৩ জুলাইত সংসদত দাখিল কৰা হ'ব বাজেট, অভিষেক সুখকৰ নহ'লেও হাৱাৰেৰ মাটিত ৰিয়ানৰ ইতিহাস, তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ স্বীকৃতি ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**